# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-12-2024
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

**---------------------**

১। পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা কাইলৈ প্ৰকাশ পাব বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ প্ৰকাশ।

২। ৰাজ্যজুৰি আজি শ্বহীদ দিৱস পালন। জামুগুৰিহাটত দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

৩। কাইলৈৰ পৰা হ'বলগীয়া ১২ দিনীয়া বিকাশৰ দিন কাৰ্যসূচীত শিক্ষা, উদ্যোগ, বিত্ত আৰু ৰাজহ বিভাগৰ উন্নয়নমূলক পদক্ষেপত আলোকপাত।

৪। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ জনসাধাৰণক সম্বোধন।
*আৰু*

৫। মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত মালয়েছিয়াৰ বিৰুদ্ধে ভাৰতৰ একেৰাহে তৃতীয়টো বিজয়।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা কাইলৈ প্ৰকাশ পাব বুলি ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে জাননীযোগে এই বিষয়ে প্ৰকাশ কৰে। ২০২৫ চনৰ ১ জানুৱাৰীক ভিত্তিবৰ্ষ হিচাপে লৈ এই তালিকা প্ৰকাশ কৰা হ'ব। পুনৰ গঠিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পৰিসীমাৰ ভিত্তিত এই তালিকা যুগুত কৰা হ'ব। ১২ আৰু ১৩ ডিচেম্বৰত ভোটাৰ তালিকাৰ খচৰা গাঁও পঞ্চায়ত, খণ্ড উন্নয়ন বিষয়া, জিলা পৰিষদ আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ত উপলব্ধ হ'ব। ইয়াৰ পাছতে এই তালিকা সম্পৰ্কে ওজৰ-আপত্তি ১৪ৰ ২১ ডিচেম্বৰলৈ গ্ৰহণ কৰা হ'ব। ২৮ ডিচেম্বৰত এই নিৰ্বাচনৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে সংশোধিত পঞ্চায়ত আইন অনুসৰি এইবাৰ পঞ্চায়ত নিৰ্বাচনত গাঁও পঞ্চায়তৰ সদস্য, আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্য এই তিনিটা পদৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পূৰ্বৰ দৰে পঞ্চায়ত সভাপতিৰ বাবে প্ৰত্যক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰিৱৰ্তে এইবাৰ গাঁও পঞ্চায়তৰ নিৰ্বাচিত সদস্যসকলে পৰৱৰ্তী সময়ত পঞ্চায়তৰ সভাপতি নিৰ্বাচন কৰিব।

অহা মাহৰ প্ৰথম বা দ্বিতীয় সপ্তাহতে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে অহা ফেব্ৰুৱাৰী মাহৰ ভিতৰত পঞ্চায়ত নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰ গাঁও পঞ্চায়তৰ নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলে দলীয় প্ৰতীক অবিহনে নিৰ্বাচনত অৱতীৰ্ণ হ'ব লাগিব।

০০০০০০

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ স্মৃতি আৰু ত্যাগক সুঁৱৰি জামুগুৰিহাটত আজি কেন্দ্ৰীয়ভাৱে শ্বহীদদিৱস উদযাপন কৰা হ'ব। ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ

উদ্যোগত আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। অনুষ্ঠানত অবিভক্ত শোণিতপুৰ জিলাৰ ১৬০ গৰাকী শ্বহীদৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী তথা সাংসদে অংশগ্ৰহণ কৰিব। পকামুৰা পথাৰ যুৱ মৰ্চাৰ কৰ্মকৰ্তাসকলে এই অনুষ্ঠানৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা বুলি জানিব পৰা গৈছে।

উল্লেখযোগ্য যে ১৯৭৯ চনৰ আজিৰ দিনটোতে অসম আন্দোলনত খৰ্গেশ্বৰ তালুকদাৰে প্ৰাণ বিসৰ্জন দিছিল। অসম আন্দোলনৰ ৮৬০ গৰাকী শ্বহীদলৈ শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থাৰ লগতে ৰাজ্যবাসীয়ে ১০ ডিচেম্বৰৰ দিনটো শ্বহিদ দিৱস হিচাপে পালন কৰি আহিছে। এইবেলি সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় শ্বহিদ দিৱসৰ অনুষ্ঠান গোৱালপাৰাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰিছে। গোৱালপাৰা জিলা ছাত্ৰ সন্থা, বগুৱান আঞ্চলিক ছাত্ৰ সন্থা আৰু অঞ্চলবাসীৰ সহযোগত এই দিৱস পালন কৰা হ'ব। আনহাতে, ৰাজ্যৰ সকলো জিলা, মহকুমা, আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি আন সংগঠনসমূহেও শ্বহীদ দিৱসৰ আয়োজন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শ্বহিদ দিৱসৰ অনুষ্ঠানত অতিথি হিচাপে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকচোক, সাধাৰণ সম্পাদক ড° সুভাষ ৰাভা, সদৌ কোছ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি বলোৰাম বৰ্মন, সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ নাথ তথা সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সভাপতি নুৰুল হককে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

ৰাজ্য চৰকাৰে জনসাধাৰণৰ বাবে শিক্ষা, উদ্যোগ, বিত্ত আৰু ৰাজহ বিভাগৰ বিভিন্ন আঁচনিৰে কাইলৈৰ পৰা ১২ দিনীয়া বিকাশৰ দিন উদযাপন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয়, যে অসমৰ সামগ্ৰিক বিকাশ আৰু ৰাজ্যখনৰ জনতাৰ জীৱন ধাৰণৰ মান উন্নীত কৰাটো চৰকাৰৰ প্ৰাথমিকতা। অবিৰত বিকাশৰ আন এটা শক্তিশালী প্ৰয়াস হিচাপে বিকাশৰ ১২ দিন ৰাজ্য চৰকাৰৰ বিনম্ৰ প্ৰয়াস। এই কাৰ্যসূচী অনুসৰি বিত্ত বিভাগৰ অধীনত অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান, উদ্গনি আৰু সকাহ আঁচনি, ২০২১-ৰ তৃতীয় বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত No Due's certificate বিতৰণ কৰা হয়। এই আঁচনিৰ অধীনত মুঠ ১২ লাখ ৭১ হাজাৰ ৬৭২ গৰাকী হিতাধিকাৰীক দুহেজাৰ ৩৪০ কোটি ৩০ লাখ টকা ৰেহাই দিয়া হৈছে। শিক্ষা বিভাগৰ অধীনত আনন্দৰাম বৰুৱা বঁটাৰূপে ২৬ হাজাৰ ৯৬৯ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ নগদ ধন আগবঢ়োৱা হ'ব। তদুপৰি মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক মুঠ ৩ লাখ ২৩ হাজাৰ ৬৪০ খন চাইকেল প্ৰদান কৰা হ'ব। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনত ২০২৪ বৰ্ষত দুৰ্যোগত ক্ষতিগ্ৰস্ত ৬ লাখ ৮৬ হাজাৰ ৪৮৭ টা পৰিয়াললৈ ৩৫৩ কোটি ৩৭ লাখ টকাৰ সাহায্য পোনপটীয়াকৈ প্ৰদান কৰা হ'ব। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অধীনত প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংশাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত মূলধনী বিনিয়োগৰ ওপৰত ১০ লাখ টকা পৰ্যন্ত ৩৫ শতাংশ ৰাজ সাহায্য লাভ কৰে।

০০০০০০

ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ অধীনত অধিক সংখ্যক হিতাধিকাৰীক সামৰি লোৱাৰ বাবে অহা ১৫ ৰ পৰা ২৮ ডিচেম্বৰলৈ হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া অনুষ্ঠিত কৰিব। এই দিনকেইটাত হ'বলগীয়া গাঁওসভা সমূহত নতুন হিতাধিকাৰী বাছনি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কালি সৰুপথাৰত ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰি দিয়া ভাষণত প্ৰকাশ কৰে।

-ৰাইট-

০০০০০০

আজি মানৱ অধিকাৰ দিৱস। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাক সুঁৱৰি প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰা হয়। ১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সমগ্ৰ বিশ্বতে মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰ গ্ৰহণ কৰিছিল। এইবেলি মানৱ অধিকাৰ দিৱসৰ মূল বিষয় হৈছে- **আমাৰ অধিকাৰ, আমাৰ ভৱিষ্যৎ, এতিয়াই**। মানৱাধিকাৰ যে কেৱল এটা আকাংক্ষা নহয়, বৰং ই ব্যক্তি আৰু সম্প্ৰদায়ক সৱল কৰি তেওঁলোকৰ উন্নত ভৱিষ্যৎ নিৰ্মাণৰ ব্যৱহাৰিক আহিলাও - এই ধাৰণাতেই মানৱ অধিকাৰ দিৱসৰ চলিত বৰ্ষৰ বিষয়বস্তুৰ জৰিয়তে গুৰুত্ব আৰোপ কৰা হৈছে।

আনহাতে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি মানৱ অধিকাৰ দিৱস উপলক্ষে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানত ভাষণ দিব। ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে যে আজি এই দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি মানসিক উৎকৰ্ষ সাধন - শ্ৰেণীকোঠাৰ পৰা কৰ্মক্ষেত্ৰলৈকে মানসিক চাপ নিয়ন্ত্ৰণ সন্দৰ্ভত এখন দিনজোৰা ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে।

০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে সঞ্জয় মালহোত্ৰাই কাইলৈ দায়িত্বভাৰ গ্ৰহণ কৰিব। বৰ্তমানৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থলাভিষিক্ত হ'বলগীয়া মালহোত্ৰাই সম্প্ৰতি কেন্দ্ৰীয় ৰাজহ দপ্তৰৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁক ৩ বছৰ কাৰ্যকালৰ বাবে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ১৯৯০ বৰ্ষৰ ৰাজস্থান কেডাৰৰ আই এ এছ বিষয়া মালহোত্ৰা হ'ব ৰিজাৰ্ভ বেংকৰ ২৬ সংখ্যক গৱৰ্নৰ। আই আই টি কাণপুৰৰ ইঞ্জিনীয়াৰিঙৰ স্নাতক ডিগ্ৰীধাৰী মালহোত্ৰাই পাব্লিক প'লিচী বিষয়ত আমেৰিকাৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল।

০০০০০০

মণিপুৰ চৰকাৰে কালি বিয়লিৰ পৰা ৰাজ্যৰ ৯ খন জিলাত ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱা পুনৰ প্ৰদান কৰিছে। ৰাজ্যখনৰ শেহতীয়া আইন শৃংখলা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই জিলাকেইখনত যোৱা ১৬ নৱেম্বৰৰ পৰা এই সেৱা সাময়িকভাৱে বন্ধ ৰখা হৈছিল। জিৰিবাম জিলাত ছজন নাগৰিকক অপহৰণ কৰি হত্যাৰ ঘটনাৰ ব্যাপক প্ৰতিবাদৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ ছখন উপত্যকা জিলা আৰু তিনিখন পাহাৰীয়া জিলাত ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱা বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ৰাজ্যখনৰ গৃহ বিভাগে কালি জাৰি কৰা এটা আদেশ অনুসৰি ৰাজ্যখনৰ সাম্প্ৰতিক আইন শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰি ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱাৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰৰ সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলক ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা যিকোনো কাম-কাজৰ পৰা বিৰত থাকিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ আজি ১৯০ সংখ্যক জয়ন্তী। জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জ্যোতি বাটচ'ৰাৰ দাঁতিত প্ৰয়াত বৰুৱাদেৱৰ পূৰ্ণ অৱয়বৰ এটা ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হ'ব। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়াই এই প্ৰতিমূৰ্তিটো উন্মোচন কৰিব। ইপিনে, গুৱাহাটী বিশ্ববিদ্যালয়ত থকা প্ৰয়াত বৰুৱাদেৱৰ প্ৰতিমূৰ্তিৰ সন্মুখতো আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিশ্ববিদ্যালয় পঞ্জীয়কৰ লগতে ইলোৱা বিজ্ঞান মঞ্চৰ সভাপতি

আৰু অন্যান্য ভালেকেইগৰাকী আগশাৰীৰ লোক উপস্থিত থাকিব। উল্লেখযোগ্য যে ইলোৰা বিজ্ঞান মঞ্চই প্ৰতিবছৰে আজিৰ দিনটো কু-সংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস হিচাপে উদযাপন কৰি আহিছে।

শিৱসাগৰৰ হেমচন্দ্ৰ বৰুৱা উদ্যানতো আজি ভাষাৰ ওজাগৰাকীক স্মৰণ কৰাৰ উদ্দেশ্যে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

oooooo

ধন্যবাদ অৰুণিমা গোস্বামী.......

অসম মন্ত্ৰীসভাৰ শেহতীয়া ৰদ-বদলৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতেই প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতখনে বাতৰিটোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীসভাৰ ভাগ-বিতৰণত আপোচহীন স্থিতি লৈছে বুলি উল্লেখ কৰাৰ লগতে এই ৰদ-বদলৰ যোগেদি মুখ্যমন্ত্ৰীজনে কঠোৰ বাৰ্তা দিছে বুলিও প্ৰকাশ কৰিছে।

ৰদ-বদলৰ একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতখনেও - CM EFFECTS RESHUFFLE IN STATE CABINET শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত হেমচন্দ্ৰ বৰুৱাৰ এটা ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন হ'ব বুলি এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ভাষাৰ ওজাগৰাকীৰ ১৯০ সংখ্যক জন্মদিন উপলক্ষে অসমৰ বিভিন্ন প্ৰান্তত আয়োজন হ'বলগীয়া অনুষ্ঠানৰ কথাও বাতৰিটোত উল্লেখ কৰা হৈছে।

দৈনিক জনমভূমি কাকতখনে সঞ্জয় মালহোত্ৰাক তিনিবছৰ কাৰ্যকালৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্নৰ হিচাপে নিযুক্তি লাভ কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতখনেও গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সৰুপথাৰত নেপালী সাহিত্য সভাৰ স্বৰ্ণ জয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তিনিটা প্ৰজন্মৰ প্ৰমাণপত্ৰ নিদিয়াকৈ গোৰ্খাসকলে ভূমিৰ স্বত্ব পাব বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰা বাতৰিটোক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতখনে উচ্চতম ন্যায়ালয়ে অশান্ত মণিপুৰৰ গোষ্ঠী সংঘৰ্ষত বিনষ্ট হোৱা সম্পত্তিৰ হিচাপ বিচৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। বাতৰিটোত লগতে এই সংঘৰ্ষৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়াৰ কথাও উল্লেখ আছে।

অন্তিম সময়ত টেট পাঠ্যক্ৰম সলনিৰ বিৰোধিতা কৰি সদৌ অসম ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ জৰুৰী পত্ৰ প্ৰেৰণ কৰা এটা বাতৰিক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি। এতিয়া আমি পুনৰ উভতি আহিছো অৰুণিমা গোস্বামীৰ ওচৰলৈ।

oooooo

ৰাষ্ট্ৰীয় লোক আদালতৰ সৈতে সংগতি ৰাখি অহা ১৪ ডিচেম্বৰ শনিবাৰে শোণিতপুৰ জিলা আদালত প্ৰাংগণত লোক আদালত অনুষ্ঠিত হ'ব। মটৰ দুৰ্ঘটনা, দেৱানী গোচৰ, যান-বাহন সম্পৰ্কীয় গোচৰ, আবকাৰী আৰু আপোচযোগ্য ফৌজদাৰী গোচৰ, ভূমি অধিগ্ৰহণ গোচৰ, বেংক ঋণৰ গোচৰ আদি এই আদালতত নিষ্পত্তি কৰা হ'ব। মাছুলবিহীন আৰু ক্ষিপ্ৰতাৰে গোচৰ নিষ্পত্তিৰ বাবে এই লোক আদালতসমূহ মুকলি কৰা

হয়। শোণিতপুৰ জিলা আইন সেৱা প্ৰাধিকৰণে এই সন্দৰ্ভত সবিশেষ তথ্যৰ বাবে ৮৬৩৮৭-৪২১৬৪ আৰু ৮৭২১০-৫৩৮৭৪ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

গোৱালপাৰা জিলাৰ শলমাৰীৰ সাদলাপাৰাত যোৱানিশা বনৰীয়া হাতীৰ আক্ৰমণত এজন যুৱকৰ মৃত্যু হয়। যুৱকজন গংগাধৰ ৰাভা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে পৰহি নিশাও বনৰীয়া হাতীৰ আক্ৰমণত জিলাখনৰ বালিজানাৰ নাৰায়ণপাৰাত দুজন লোকৰ মৃত্যু হৈছিল। দুটা নিশাৰ ভিতৰতে বনৰীয়া হাতীৰ আক্ৰমণত তিনিজন লোক নিহত হোৱাক লৈ অঞ্চলটোৰ জনসাধাৰণে উদ্বেগ প্ৰকাশ কৰিছে। বন বিভাগে জনসাধাৰণক সজাগ কৰাৰ বাবে বিভিন্ন ব্যৱস্থা লোৱাৰ লগতে বনৰীয়া হাতী দেখিলে খেদি নাযাবলৈ আহ্বান জনাইছে। হাতী দেখা মাত্ৰকেই বন বিভাগক খবৰ দিয়াৰ লগতে দূৰত্ব বজাই ৰাখিবলৈও আহ্বান জনোৱা হৈছে। তদুপৰি বিয়লি ৫ বজাৰ পৰা পুৱা ৬ বজালৈকে কোনো লোকক বনাঞ্চলৰ কাষৰীয়া এলেকালৈ নাযাবলৈ বন বিভাগে আহ্বান জনাইছে।

০০০০০০

ভাৰতে কালি ওমানৰ মাস্কাটত চলি থকা মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ এখন খেলত মালয়েছিয়াক ৫-০ গ'লত পৰাস্ত কৰে। এয়া হ'ল প্ৰতিযোগিতাখনৰ ইতিহাসত মালয়েছিয়াৰ বিৰুদ্ধে ভাৰতৰ একেলেঠাৰিয়ে তৃতীয়টো বিজয়।

ভাৰতৰ হৈ প্ৰতিযোগিতাৰ ৩২ সংখ্যক মিনিটত বৈষ্ণৱী ফালকেই প্ৰথমটো গ'ল দিয়ে। ভাৰতৰ কণিকা ছিৱাছে ৩৮ সংখ্যক মিনিটত আন এটা আৰু দিপিকাই ৩৭, ৩৯ আৰু ৪৮ সংখ্যক মিনিটত এটাকৈ গ'ল দি হেট্ৰিকৰ জৰিয়তে দলৰ বিজয় সুনিশ্চিত কৰে। প্ৰতিযোগিতাৰ আন এখন খেলত আজি ভাৰত চীনৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ৮ বজাত অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাখনক অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইচ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী হিচাপে বিবেচনা কৰা হৈছে। চলিত প্ৰতিযোগিতাখনৰ শীৰ্ষ পাঁচটা দলে বিশ্বকাপৰ বাবে পোনপটীয়াকৈ যোগ্যতা অৰ্জন কৰিব।

০০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ অহা ২৪ ঘণ্টাৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। ৰাজ্যত পুৱাৰ ভাগত কুঁৱলী পৰাৰ সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৪ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৪ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। আনহাতে, উজনি অসমৰ উত্তৰ লখিমপুৰ নগৰত কালি উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰা ৭ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হয়।

০০০০০০

সমাপ্ত